**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-05-2024
**Time :** 1715 Hrs

***Assamese Evening Bulletin***
***Headlines***

**-----------------------**

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিছে। ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ অভিযানৰ আজি অন্তিম দিনা বিভিন্ন ৰাজনৈতিক দলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত বিভিন্ন ধৰণেৰে প্ৰচাৰ চলাই ৰাইজৰ মন জয় কৰাৰ চেষ্টা কৰে। বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মহানগৰীৰ আজাৰাত গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ প্ৰচাৰ চলায়। ইফালে, ভাৰতীয় জনতা পাৰ্টিৰ যুৱ মৰ্চাই আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰৰ পৰা লতাশিল খেলপথাৰলৈ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত এটা মটৰ চাইকেল ৰেলী উলিয়ায়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰা ৰেলীটোত সাংসদ পল্লৱ লোচন দাস আৰু পবিত্ৰ মাৰ্ঘেৰিটাই অংশগ্ৰহণ কৰে। আনহাতে, গুৱাহাটী লোকসভা সমষ্টিৰ জাতীয় কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীৰ সমৰ্থনত গুৱাহাটী ৰাজীৱ ভৱনৰ পৰা দিছপুৰৰ মানৱেন্দ্ৰ শৰ্মা ভৱনলৈ এটা সমদল উলিওৱা হয়। এই সমদলত কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় নেতা জিতেন্দ্ৰ সিং, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, সাংসদ অজিত কুমাৰ ভূঞাকে ধৰি বহু নেতা আৰু কৰ্মীয়ে অংশগ্ৰহণ কৰে।

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি অন্তিম দিনটোত অসম গণ পৰিষদ দলেও গণেশগুৰিৰ পৰা আমবাৰীৰ মুখ্য কাৰ্যালয়লৈ এটা মটৰ চাইকেল সমদল উলিয়ায়। সমদলটোত দলটোৰ সভাপতি তথা কৃষি মন্ত্ৰী অতুল বৰা, কাৰ্যকৰী সভাপতি তথা স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তকে ধৰি দলীয় নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰে।

বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰচাৰ অনুষ্ঠানটোত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে অংশগ্ৰহণ কৰে। ইফালে, বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীয়ে বাক্সা জিলাৰ জালাহত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসেও বজালী জিলাৰ কেন্দুগুৰি বজাৰ এলেকাত বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানলৈ গৈ বিজেপি মিত্ৰজোঁটৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। চিৰাং জিলাত অন্তিম নিৰ্বাচনী প্ৰচাৰৰ দিনটোত কোকৰাঝাৰ সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সমৰ্থনত মন্ত্ৰী অশোক সিংহাল আৰু পীযুষ হাজৰিকাই নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

আনহাতে, তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰীশংকৰ শৰণীয়াৰ সমৰ্থনত বিজনীত দলীয় নেত্ৰী তথা ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। মানকাচৰৰ তিনিটা পৃথক স্থানত কংগ্ৰেছ, অগপ আৰু এ আই ইউ ডি এফেও নিৰ্বাচনী প্ৰচাৰ চলায়।

০০০০০০

তৃতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া চাৰিটা লোকসভা সমষ্টিৰ অন্তৰ্গত জিলাসমূহৰ যাতায়তৰ ক্ষেত্ৰত দুৰ্গম ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ নিৰ্বাচনী বিষয়া-কৰ্মচাৰীৰ দল আজিয়েই আগতীয়াকৈ ৰাওনা হয়। পৰহিলৈ বৰপেটা আৰু ধুবুৰী লোকসভা সমষ্টিৰ ভোটগ্ৰহণৰ বাবে আজি বৰপেটা জিলাতো ভোটগ্ৰহণকাৰী দলসমূহে প্ৰান্তীয় আৰু ভিতৰুৱা এলেকাসমূহলৈ যাত্ৰা কৰে। উল্লেখযোগ্য যে বৰপেটা জিলাৰ মন্দিয়া আৰু চেংগা বিধানসভা সমষ্টি দুটা ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত। নিৰ্বাচনৰ বাবে বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত ষ্ট্ৰং ৰুম স্থাপন কৰা হৈছে। বৰপেটা নিৰ্বাচনী জিলাত সৰ্বমুঠ এহেজাৰ ৩৪টা ভোটকেন্দ্ৰ আছে। ইয়াৰে ১১২টা কেন্দ্ৰ দুৰ্গম স্থানত অৱস্থিত। জিলাখনত ব্ৰহ্মপুত্ৰৰ মাজত থকা শতাধিক চৰসমূহত এই দুৰ্গম কেন্দ্ৰসমূহ অৱস্থিত। বৰপেটা নিৰ্বাচনী বিষয়া ময়ুৰাক্ষী দত্তই জনোৱা অনুযায়ী এই কেন্দ্ৰসমূহলৈ যোৱাৰ বাবে পাঁচখন ঠাইত মধ্যৱৰ্ত্তী ষ্ট্ৰং ৰুম স্থাপন কৰা হৈছে। বাঘমাৰা, কাছুমাৰা, মন্দিয়া, বহৰি আৰু ডুমুৰীত এই মধ্যৱৰ্ত্তী ষ্ট্ৰং ৰুমসমূহ আছে।

নলবাৰী জিলাতো অতি দুৰ্গম ব্ৰহ্মপুত্ৰ নদীৰ চৰ অঞ্চলৰ ৫১টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে নিৰ্বাচনী বিষয়াসকলে ভোটগ্ৰহণ সমগ্ৰীৰ সৈতে আজি যাত্ৰা আৰম্ভ কৰিছে। প্ৰায় ৩৭০ গৰাকী নিৰ্বাচনী বিষয়াই আজি বিয়লি মুকালমুৱাৰ পৰা নাও, ট্ৰেক্টৰ, ম'হগাড়ী আৰু মটৰ চাইকেলেৰে গন্তব্যস্থানলৈ যায়।

০০০০০০

ৰাজ্যখনত তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনসমূহে ভোটদাতাৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লৈছে।

তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ভোটগ্ৰহণ হ'বলগীয়া জিলাসমূহত সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ লগতে সংশ্লিষ্ট জিলাসমূহত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত বাক্সা জিলা নিৰ্বাচনী বিষয়াই জিলাখনত আজি বিয়লি ৫ বজাৰ পৰা ৭ মে'ৰ বিয়লি ৫ বজালৈ সুৰা নিষিদ্ধ ঘোষণা কৰিছে। একেটা নিৰ্দেশনাতে জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে ভোটগণনাৰ বাবে নিৰ্ধাৰিত ৪ জুনৰ দিনটোতো ভোটগণনা সমাপ্ত নোহোৱালৈকে জিলাখনত সুৰা নিষিদ্ধ ঘোষণা কৰিছে। আনহাতে, জিলাখনত আজি বিয়লি ৫ বজাৰ পৰা সকলো ধৰণৰ নিৰ্বাচনী প্ৰচাৰৰ সামৰণি পৰিব বুলি নিৰ্দেশনাযোগে কোৱা হৈছে। বজালী জিলাতো জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াই আজি বিয়লি ৫ বজাৰ পৰা ৭ মে'ৰ বিয়লি ৫ বজালৈ সুৰা নিষিদ্ধ ঘোষণা কৰিছে। এই সময়ছোৱাত সকলো ধৰণৰ সুৰা সামগ্ৰীৰ বিক্ৰী নিষিদ্ধ ঘোষণা কৰা হৈছে।

০০০০০০

সমাপ্ত